অধ্যায় ৩ ঃ যোগান

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ যোগানৰ ধাৰণা

৩.৪ যোগানৰ সূত্ৰ

৩.৫ যোগানৰ সূত্ৰৰ ব্যতিক্ৰম সমূহ

৩.৬ যোগানৰ স্থিতিস্থাপকতা

৩.৭ যোগান নিৰ্ধাৰণৰ কাৰক সমূহ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- যোগানৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- যোগানৰ সূত্ৰ আৰু যোগানৰ সূত্ৰৰ ব্যতিক্ৰমসমূহ বৰ্ণনা কৰিব পাৰিব
- যোগানৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰক সম্পৰ্কে আলোচনা কৰিব পাৰিব
- যোগানৰ স্থিতিস্থাপকতাৰ ধাৰণা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।

৩.২ পৰিচয়

যিকোনো এটি সামগ্ৰীৰ মূল্য নিৰ্ধাৰিত হয় সেই সামগ্ৰীৰ চাহিদা আৰু যোগানৰ ওপৰত নিৰ্ভৰ কৰি। পূৰ্বৰ অধ্যায়টিত আমি 'চাহিদা' সম্পৰ্কে আলোচনা কৰিছো। মূল্য আৰু চাহিদাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আপোনাৰ মনত আছেনে ? হয়, মূল্য আৰু চাহিদাৰ মাজত এক বিপৰীতমুখী সম্পৰ্ক থাকে। এটা সামগ্ৰীৰ গ্ৰাহকৰ মাজত থকা চাহিদা পূৰণ কৰিবলৈ সেই সামগ্ৰীটোৰ যথেষ্ট যোগানৰ প্ৰয়োজন। চাহিদাৰ নিচিনাকৈ মূল্য আৰু যোগানৰ মাজতো এটা সম্পৰ্ক আছে। এতিয়া, এই অধ্যায়টিত আমি যোগানৰ অৰ্থ, যোগানৰ সূত্ৰ, এটা সামগ্ৰীৰ যোগান নিৰ্ধাৰিত কৰা কাৰক আদি সম্পৰ্কে আলোচনা কৰিম।

৩.৩ যোগানৰ ধাৰণা

সামগ্ৰী যোগান ধৰে উৎপাদনকাৰী অথবা যোগানকাৰীয়ে। যোগান হৈছে এটি সামগ্ৰী বিভিন্ন মূল্যত যোগান ধৰিবলৈ কোনো উৎপাদক অথবা যোগানকাৰীৰ ক্ষমতা অথবা ইচ্ছা। সেয়েহে, কোনো এটা সামগ্ৰীৰ যোগানৰ অর্থ হৈছে এক নির্দিষ্ট সময়ত, যেনে এটা দিন, এটা সপ্তাহ, এটা মাহ আৰু এনেদৰে সামগ্ৰীটোৰ বিক্ৰীৰ বাবে আগবঢ়াব পৰা পৰিমাণ।

যোগানক মজুত দ্ৰব্যৰ পৰা অতি সাৱধানে পৃথক কৰিব লাগে। মজুত দ্ৰব্য হৈছে অত্যন্ত কম সময়ৰ ভিতৰতে বিক্ৰীৰ বাবে বজাৰলৈ আনিব পৰা কোনো সামগ্ৰীৰ মুঠ পৰিমাণ আৰু যোগানৰ অর্থ হৈছে বজাৰলৈ প্ৰকৃততে অনা পৰিমাণ। মাছ আৰু ফলমূলৰ দৰে সোনকালে বেয়া হোৱা সামগ্ৰীৰ ক্ষেত্ৰত যোগান আৰু মজুত দ্ৰব্য একে হয়, কিয়নো মজুত দ্ৰব্যখিনি বিক্ৰী কৰিবই লাগে। আনহাতে, সহজে বেয়া হ'ব নোৱাৰা সামগ্ৰীবোৰ বিচৰা মতে মূল্য নাপালে বিক্ৰী নকৰাকৈয়ো ৰাখিব পাৰি। যদি মূল্য উচ্চ হয় তেন্তে বিক্ৰেতাসকলে নিজৰ মজুত দ্ৰব্যৰ পৰা সহজে নষ্ট নোহোৱা সামগ্ৰী অধিক পৰিমাণত উলিয়াই দিয়ে। আৰু যদি মূল্য নিম্ন হৈ থাকে তেন্তে বিক্ৰীৰ বাবে কেৱল অলপ সামগ্ৰীহে উলিয়াই দিয়া হয়।

৩.৪ যোগানৰ সূত্ৰ

ধৰাহওক, 'ক' নামৰ মানুহজনে এটা 'অ' নামৰ সামগ্ৰী ৫০ টকাত বিক্ৰী কৰি আছে। এই মূল্যটোত তেওঁ 'অ' নামৰ সামগ্ৰীবিধৰ ১০০ টা একক বিক্ৰী কৰিলে। তেওঁৰ ৰাজহ হৈছে ঃ ১০০ × ৫০ = ৫০০ টকা। কোনো এক নির্দিষ্ট সময়ত 'অ' নামৰ সামগ্ৰীবিধৰ দাম ৮০ টকালৈ বৃদ্ধি পালে। ফলস্বৰূপে 'ক' নামৰ মানুহজনে সামগ্ৰীবিধৰ অধিক একক যোগান দিবলৈ বিচাৰিলে। সেয়েহে তেওঁ যোগান ধৰিলে ২০০ টা একক। যদি তেওঁ সামগ্ৰীবিধৰ ২০০ টা এককতকৈ অধিক যোগান ধৰিব পাৰে তেন্তে তেওঁৰ ৰাজহ বৃদ্ধি পাব। যোগানৰ সূত্ৰত এই পৰিস্থিতিটোৱে প্ৰতিফলিত হয়। যোগানৰ সূত্ৰ মতে, যেতিয়া কোনো এটা সামগ্ৰীৰ মূল্য বৃদ্ধি পায়, বজাৰত সেই সামগ্ৰীবিধৰ যোগানো বৃদ্ধি পায় আৰু যেতিয়া কোনো এটা সামগ্ৰীৰ মূল্য হ্ৰাস পায়, অন্যান্য কাৰকবোৰ একেদৰে থকা অৱস্থাত, সেই সামগ্ৰীবিধৰ যোগানো হ্ৰাস পায়। সেয়েহে, যোগানৰ সূত্ৰ অনুসৰি, কোনো এটা সামগ্ৰীৰ যোগানৰ পৰিমাণ, মূল্যৰ সৈতে যোগাত্মকভাবে সম্পৰ্কীত। মূল্য আৰু সামগ্ৰীৰ যোগানৰ পৰিমাণৰ মাজত থকা এই প্ৰত্যক্ষ অথবা যোগাত্মক সম্পৰ্কৰ বাবে, যোগানৰ বক্ৰপথ সোঁফালে ওপৰলৈ গতি কৰে।


এতিয়া আমি লেখচিত্ৰৰ দ্বাৰা চাম— কেনেদৰে যোগানৰ বক্ৰপথ সোঁফালে ওপৰলৈ গতি কৰে। সামগ্ৰী এবিধৰ বিভিন্ন মূল্যত যোগান ধৰা বিভিন্ন পৰিমাণৰ তালিকাখনৰ ওপৰত চকু ফুৰাও আহক।

চাউলৰ যোগানৰ তালিকা

প্ৰতি কিলোগ্ৰামৰ মূল্য (টকাত)	যোগান ধৰা পৰিমাণ (কিলোগ্ৰামত)
২০	৫০
২৫	৬০
৩০	৭০
৩৫	৮০
৪০	৯০
৪৫	১০০

উক্ত তালিকাখনৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে যেতিয়া প্ৰতি কিলোগ্ৰাম চাউলৰ দাম ২০ টকা হয় তেতিয়া বজাৰত যোগান ধৰা চাউলৰ পৰিমাণ হয় ৫০ কিলোগ্ৰাম। একেদৰে যিমানে মূল্য বাঢ়ি হৈ থাকে, যোগানৰ পৰিমাণো বৃদ্ধি পায়।

উপৰোক্ত তালিকাখন ৰেখাচিত্ৰৰ সহায়ত তলত দিয়া ধৰণে দেখুৱাব পাৰি—



যোগানৰ পৰিমাণ

X অক্ষত আমি যোগান ধৰা চাউলৰ পৰিমাণ হিচাপ কৰিছো। Y অক্ষত আমি প্ৰতি কিলোগ্ৰাম চাউলৰ মূল্য হিচাপ কৰিছো। SS হৈছে যোগানৰ বক্ৰ ৰেখা।

উপৰোক্ত চিত্ৰৰ পৰা আমি পাওঁ যে যোগানৰ বক্ৰ ৰেখাডাল বাওঁফালৰ ৰা সোঁফালে ওপৰলৈ গতি কৰিছে, যিয়ে ইয়াকে সূচাইছে যে চাউলৰ মূল্য যিমানেই বৃদ্ধি পায়, যোগানৰ পৰিমাণো বৃদ্ধি পায়।

এতিয়া প্ৰশ্নটো হৈছে যোগানৰ বক্ৰ ৰেখাডাল ওপৰলৈ কিয় গতি কৰে।

উপৰোক্ত আলোচনাৰ পৰা আপুনি জানিব পাৰিছে যে সামগ্ৰী এবিধৰ মূল্য আৰু যোগানৰ মাজত এক যোগাত্মক সম্পৰ্ক আছে। অৰ্থাৎ অধিক মূল্যত অধিক পৰিমাণ যোগান ধৰা হয় আৰু বিপৰীতটোও একে হয়। যেতিয়া অন্যান্য কাৰকবোৰ একে থাকে। সামগ্ৰী এবিধৰ উচ্চ মূল্যই উৎপাদকক অধিক উৎপাদন কৰিবলৈ উৎসাহিত কৰে। অন্যান্য কাৰকসমূহ একে থকা পৰিস্থিতিত. যিমানেই মূল্য উচ্চ হৈ পৰিব সিমানেই উৎপাদন প্ৰতিষ্ঠানটোৱে অধিক উৎপাদন কৰাৰ লগতে বজাৰত অধিক যোগান ধৰিবলৈ উৎসাহ পাব আৰু ইয়াৰেই ফলস্বৰূপে যোগানৰ বক্ৰৰেখা ওপৰলৈ গতি কৰে।

ইয়াৰোপৰি মূল্যৰ ওপৰত ভিত্তি কৰি পৰিৱৰ্তিত হোৱা এটা সামগ্ৰীৰ যোগানৰ পৰিমাণ, এটা সামগ্ৰীয়ে আনটোৰ স্থান গ্ৰহণ কৰা ঘটনাটোৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। উদাহৰণস্বৰূপে, যেতিয়া বজাৰত চাউলৰ দাম বৃদ্ধি পাব তেতিয়া কৃষকসকলে কুঁহিয়াৰ খেতিৰ পৰিৱৰ্তে ধান খেতি কৰিবলৈ ভূমি তথা অন্যান্য প্ৰাকৃতিক সম্পদসমূহ অধিক ব্যৱহাৰ কৰিবলৈ ধৰিব আৰু ধানৰ উৎপাদন বৃদ্ধি কৰিব। ইয়াৰ কাৰণ হৈছে কুঁহিয়াৰতকৈ চাউলৰ অধিক বজাৰ মূল্যই লাভ অৰ্জন কৰিব বিচৰা কৃষকসকলক চাউল উৎপাদনৰ বাবে কুঁহিয়াৰৰ তুলনাত অধিক সম্পদ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব।

এটা সামগ্ৰীৰ অধিক উৎপাদন কৰিবলৈ উৎপাদক প্ৰতিষ্ঠানে অধিক সম্পদ ব্যৱহাৰ কৰিব লাগিব। যেতিয়া অধিক সম্পদৰ প্ৰয়োগেৰে কোনো এটা সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰা হয় তেতিয়া এটা সময়ৰ পিছত বিনিয়োগ অনুপাতে ফলবৃদ্ধি নহয়। ইয়াৰ ফলস্বৰূপে উৎপাদনৰ গঢ় তথা উপান্ত খৰচ বৃদ্ধি পায়। ইয়াৰ অৰ্থ এয়াই যে উৎপাদনৰ বৰ্দ্ধিত খৰচ পূৰাবলৈ অধিক পৰিমাণৰ সামগ্ৰী উৎপাদন কৰি উচ্চ মূল্যতে বজাৰত যোগান ধৰা হ'ব।

অৱশ্যে উৎপাদন বৃদ্ধিৰ সম পৰ্যায়ত যদি উৎপাদনৰ উপান্ত ব্যয় বৃদ্ধি নাপায়। উদাহৰণস্বৰূপে, যদি স্থায়ী ফললাভৰ পৰিস্থিতিত এটা সামগ্ৰী উৎপাদিত হয়, এক স্থায়ী মূল্যত অধিক উৎপাদন আৰু অধিক যোগান সম্ভৱ হৈ উঠিব। অৰ্থাৎ এই ক্ষেত্ৰত যোগানৰ বক্ৰৰেখা হ'ব এডাল আনুভূমিক সৰল ৰেখা। এইখিনিতে উল্লেখযোগ্য যে যদি এটা সামগ্ৰীয়ে বৰ্দ্ধিত হাৰত ফল দিয়ে তেন্তে সামগ্ৰীবিধৰ উৎপাদনৰ পৰিসৰ বৃদ্ধিয়ে উৎপাদনৰ একক ব্যয় হ্ৰাস কৰিব। ফল বৃদ্ধিৰ ফলস্বৰূপে কম মূল্যত অধিক যোগান সম্ভৱপৰ হ'ব আৰু যোগানৰ বক্ৰৰেখাডাল তলফালৈ গতি কৰিব। কিন্তু যিহেতু ইয়াৰ নিয়মানুযায়ী বিনিয়োগ অনুপাতে ফলবৃদ্ধি নহয় সেয়েহে যোগানৰ বক্ৰৰেখাডাল সাধাৰণতে সোঁফালে ওপৰলৈ গতি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ যোগান কি?

.....

.....

প্রশ্ন নং ২ঃ যোগানৰ সূত্ৰ লিখা।

.....

.....

৩.৫ যোগানৰ সূত্ৰৰ ব্যতিক্ৰমসমূহ

আপুনি জ্ঞাত যে যোগানৰ সূত্ৰ অনুসৰি অন্যান্য কাৰকসমূহ স্থায়ী হৈ থকা অৱস্থাত মূল্যবৃদ্ধিৰ লগে লগে কোনো সামগ্ৰীৰ যোগানৰ পৰিমাণ বৃদ্ধি পায় আৰু বিপৰীত হ'লে তাৰ ওলোটাতো হয়। যদি মূল্যবৃদ্ধিৰ লগে-লগে সামগ্ৰীৰ যোগানৰ পৰিমাণ হ্ৰাস পায় আৰু তাৰ বিপৰীত পৰিস্থিতিত ওলোটাতো হয়, তেন্তে কি হ'বগৈ? তেনে পৰিস্থিতিকে যোগানৰ সূত্ৰত ব্যতিক্ৰম বোলা হয়। এইখিনিতে আমি যোগানৰ সূত্ৰত ব্যতিক্ৰমসমূহ আলোচনা কৰো আহক ঃ

● ভৱিষ্যতৰ মূল্য সম্পৰ্কে অনুমান ঃ

যদি বিক্ৰেতাসকলে ভৱিষ্যতে মূল্যবৃদ্ধি হোৱাৰ অনুমান কৰে তেন্তে তেওঁলোকে ভৱিষ্যতে অধিক উপাৰ্জন কৰাৰ আশাত যোগান সীমিত কৰি থ'ব পাৰে। মূল্যবৃদ্ধি হোৱা সময়ছোৱাতো তেওঁলোকে আৰু অধিক লাভৰ আশা কৰি সামগ্ৰী বজাৰত মুকলি কৰি দিব নিবিচাৰে। সেয়েহে তেনেস্থলত মূল্য বৃদ্ধি হোৱা স্বত্ত্বেও যোগান বৃদ্ধি নহয়।

● শ্ৰমিকৰ যোগান ঃ

এক নিৰ্দিষ্ট হাজিৰাৰ পৰ্যায়ৰ পিছত সাধাৰণতে শ্ৰমিকসকল জিৰণি বিচাৰে। সেয়েহে তেনে পৰ্যায়ৰ পিছত তেওঁলোকক উচ্চ হাৰত হাজিৰা দিব বিচাৰিলেও শ্ৰমিকৰ প্ৰাপ্তি হ্ৰাস পাব। সাধাৰণতে শ্ৰমিকৰ প্ৰাপ্তি হাজিৰাৰ সমানুপাতিক হয় যদিও এক নিৰ্দিষ্ট পৰ্যায়ৰ পিছত ই বিপৰীতমুখী হৈ পৰে।

● জৰুৰীকালিন পুঁজিৰ প্ৰয়োজন ঃ

এজন ব্যৱসায়ীৰ জৰুৰীভাৱে পুঁজিৰ প্ৰয়োজন হ'লে তেওঁ নিম্ন মূল্যতে অধিক সামগ্ৰী বিক্ৰী কৰি দিব পাৰে। ই হৈছে যোগানৰ সূত্ৰৰ এটি ব্যতিক্ৰম।

● ৰুচিৰ পৰিৱৰ্তন ঃ


যদি কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত ক্ৰেতাৰ ৰুচিৰ পৰিৱৰ্তন ঘটে তেন্তে বিক্ৰেতাই তেনে সামগ্ৰী সোনকালে শেষ কৰিবলৈ কম মূল্যতে বিক্ৰী কৰিবলৈ বিচাৰে আৰু এনেদৰে যোগান বৃদ্ধি পায়। ইয়ো যোগানৰ সূত্ৰৰ এক ব্যতিক্ৰম।

● সোনকালে বেয়া হৈ যোৱা সামগ্ৰী ঃ

কিছুমান সামগ্ৰী, যেনে শাক-পাছলি, ফুল আদিৰ মূল্য হ্ৰাস পালেও বিক্ৰেতাই তেনে সামগ্ৰী সোনকালে বিক্ৰী কৰিবই লাগিব। তেওঁলোকে যোগান বৃদ্ধি কৰিবৰ বাবে মূল্যবৃদ্ধি হোৱালৈ দীঘলীয়া অপেক্ষা কৰিব নোৱাৰে।

● **মন্দাৱস্থাৰ সময় ঃ**

মন্দাৱস্থাৰ সময়ত বিক্রেতাসকলে কম মূল্যতে সামগ্রী বিক্রী কৰিবলৈ বাধ্য হয়। ইয়াৰ কাৰণ হৈছে মন্দাৱস্থাত ক্রেতাসকলৰ ক্রয় কৰাৰ ক্ষমতা অত্যন্ত নিম্ন হৈ থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ যোগানৰ সূত্রৰ দুটা ব্যতিক্রম অৱস্থা সম্পর্কে লিখক।


.....

.....

৩.৬ যোগানৰ স্থিতিস্থাপকতা


যেতিয়া সামান্য মূল্য হ্রাস পোৱাৰ ফলত যোগান যথেষ্ট ব্যাহত হয় তেতিয়া যোগান তুলনামূলকভাৱে স্থিতিস্থাপক হৈ পৰে। কিন্তু যেতিয়া যথেষ্ট মূল্য হ্রাস হোৱা স্বত্বেও যোগানত ইয়াৰ বিশেষ প্রভাৱ নপৰে, তেতিয়া যোগান তুলনামূলকভালে অস্থিতিস্থাপক বুলি কোৱা হয়। আনহাতে, সামান্য মূল্যবৃদ্ধিৰ ফলত যোগানৰ যথেষ্ট বৃদ্ধিয়ে অধিক স্থিতিস্থাপক যোগানক সূচায় আৰু যথেষ্ট মূল্যবৃদ্ধিৰ ফলত যোগানৰ সামান্য বৃদ্ধিয়ে অস্থিতিস্থাপক যোগানক সূচায়।

এতিয়া আমি ৰেখাচিত্রৰ সহায়ত স্থিতিস্থাপক আৰু অস্থিতিস্থাপক যোগান সম্পর্কে আলোচনা কৰো আহক—



যোগানৰ পৰিমাণ

চিত্র ১ ঃ স্থিতিস্থাপক যোগান



যোগানৰ পৰিমাণ

চিত্র ২ ঃ অস্থিতিস্থাপক যোগান

উপৰোক্ত দুটা চিত্রৰ পৰা আমি 'SS' আৰু 'S_1S_1' নামৰ দুডাল যোগানৰ বক্ররেখা পালো। যোগানৰ পৰিমাণ আৰু মূল্য ক্রমে অনুভূমিক আৰু লম্ব অক্ষৰে দেখুওৱা হৈছে। চিত্র ১ত OP_1 মূল্যত যোগানৰ পৰিমাণ হৈছে OQ_1 আৰু চিত্র২-ত যোগানৰ পৰিমাণ হৈছে ON_1।

দুয়োটা ক্ষেত্রতে মূল্য একেই হৈ আছে। মূল্যবৃদ্ধিৰ লগে লগে যোগানৰ পৰিমাণো বৃদ্ধি পাইছে। চিত্র -১ ত OP_1 ৰপৰা OP_2 লৈ মূল্যৰ পৰিৱর্তন হোৱাৰ ফলত যোগানৰ পৰিমাণ OQ_2 লৈ বৃদ্ধি পাইছে। চিত্র ২-ত যোগানৰ পৰিমাণ ON_1 ৰ পৰা ON_2হৈছেগৈ। চিত্র ১-ত হোৱা যোগানৰ পৰিমাণৰ পৰিৱর্তন Q_1Q_2 চিত্র ২ -ৰ N_1N_2 ৰ তুলনাত যথেষ্ট অধিক। সেয়েহে, চিত্র-১ত যোগানৰ স্থিতিস্থাপক কিন্তু চিত্র ২-ত যোগান অস্থিতিস্থাপক।

যোগানৰ স্থিতিস্থাপকতাৰ সংজ্ঞা ঃ

কোনো সামগ্রীৰ পৰিৱর্তিত মূল্যৰ প্রতি যোগানৰ প্রতিক্রিয়াৰ স্তৰেই হৈছে যোগানৰ স্থিতিস্থাপকতা। অধিক স্পষ্টকৈ ক'বলৈ হ'লে যোগানৰ স্থিতিস্থাপকতা হৈছে কোনো সামগ্রীৰ মূল্যৰ আংশিক পৰিৱর্তনৰ প্রতিক্রিয়া স্বৰূপে যোগান ধৰা পৰিমাণৰ আংশিক পৰিৱর্তন। ইয়াক এনেদৰে প্রকাশ কৰিব পৰা যায়—

$$e_s = \frac{\text{যোগান ধৰা পৰিমাণৰ আংশিক পৰিৱর্তন}}{\text{মূল্যৰ আংশিক পৰিৱর্তন}}$$

সাংকেতিক ধৰণে ইয়াক আমি এনেদৰে প্রকাশ কৰিব পাৰো—

উপৰোক্ত সূত্রটো ব্যৱহাৰ কৰি আমি যোগানৰ স্থিতিস্থাপকতা হিচাপ কৰিব পাৰো। দিয়া সূত্রটোত—

e_s= যোগানৰ স্থিতিস্থাপকতা

= যোগান ধৰা পৰিমাণৰ পৰিৱর্তন

= মূল্যৰ পৰিৱর্তন

p = সামগ্রীৰ মূল্য

q = যোগান ধৰা সামগ্রীৰ পৰিমাণ

সমস্যা ঃ

যদি এটা ৰেফ্রিজেৰেটৰ মূল্য প্রতি এককত ২০০০ টকাৰ পৰা ২১০০ টকালৈ বৃদ্ধি পায় আৰু তাৰ ফলস্বৰূপে যোগানৰ পৰিমাণ ২৫০০ ৰ পৰা ৩০০০ টা লৈ বৃদ্ধি পায়, তেন্তে যোগানৰ স্থিতিস্থাপকতা কিমান হ'ব?

সমাধান ঃ

আমি জানো যে,

ইয়াত (যোগানৰ পৰিমাণৰ পৰিৱর্তন) = (৩০০০ - ২৫০০)টা

= ৫০০ টা

(মূল্যৰ পৰিৱর্তন) = (২১০০-২০০০)

= ১০০ টকা

p (প্রাৰম্ভিক যোগানৰ পৰিমাণ) = ২৫০০ টা

এতিয়া,

(২৫০০ ÷ ৫০০)

= ৪

অর্থাৎ, যোগানৰ স্থিতিস্থাপকতা হ'ব ৪



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ যোগানৰ স্থিতিস্থাপকতা মানে কি?

.....

.....

৩.৭ যোগান নির্ধাৰণৰ কাৰকসমূহ

যোগানৰ সূত্র মতে আমি পাওঁ যে অন্যান্য কাৰকসমূহ একে থকা অৱস্থাত যোগানৰ পৰিমাণ সামগ্রীৰ মূল্যৰ সমানুপাতিক। এতিয়া আমি যোগান নির্ধাৰণৰ কাৰকসমূহ আলোচনা কৰিম—

● **উৎপাদন প্রযুক্তি ঃ**

প্রযুক্তিৰ পৰিৱর্তনে উৎপাদন ব্যয় পৰিৱর্তিত কৰি যোগানৰ ওপৰত প্রভাৱ পেলায়। যদি কোনো ব্যৱসায়ীক প্রতিষ্ঠানৰ উৎপাদন প্রযুক্তি উন্নত হৈ পৰে তেন্তে উৎপাদনৰ একক ব্যয় হ্রাস পাব আৰু ফলস্বৰূপে নির্দিষ্ট মূল্যত পূর্বতকৈ অধিক যোগান সম্ভৱ হৈ উঠিব। যোগান বৃদ্ধি হোৱাৰ ফলত যোগানৰ বক্ররেখাডাল সোঁফালৈ গতি কৰে।

● **উৎপাদনৰ কাৰকসমূহৰ মূল্য ঃ**

কাৰক অথবা সম্পদৰ মূল্যৰ পৰিৱর্তে উৎপাদন ব্যয় পৰিৱর্তিত কৰিব আৰু ফলস্বৰূপে যোগানত পৰিৱর্তন আহিব।

● **অন্যান্য সামগ্রীৰ মূল্য ঃ**

যেতিয়া আমি এডাল যোগানৰ বক্ররেখা অংকন কৰো তেতিয়া আমি অন্যান্য সামগ্রী (সাল-সলনি কৰিব পৰা তথা আনুষংগিক সামগ্রীৰ) মূল্য অপৰিৱর্তিত হৈ থকা বুলি ধৰি লওঁ। এতিয়া, অন্যান্য সামগ্রীৰ মূল্যৰ পৰিৱর্তনে এটা সামগ্রীৰ যোগানৰ ওপৰত প্রভাৱ পেলাব।

● **ব্যৱসায়ীক প্রতিষ্ঠানৰ উদ্দেশ্য ঃ**

কোনো এটা ব্যৱসায়ীক প্রতিষ্ঠানৰ উদ্দেশ্যসমূহেও ই উৎপাদন কৰা সামগ্রীৰ যোগান নির্ধাৰিত কৰে। যদি প্রতিষ্ঠানটোৱে লাভ অর্জনৰ পৰিৱর্তে বিক্রী অথবা ৰাজহৰ ওপৰত অধিক গুৰুত্ব দিয়ে তেন্তে ইয়াৰ পৰা উৎপাদিত সামগ্রীৰ পৰিমাণ তথা বজাৰত যোগান বৃদ্ধি পাব।

● **ব্যৱসায়ীক প্রতিষ্ঠানৰ সংখ্যা ঃ**


যদি কোনো এটা সামগ্রী উৎপাদন কৰা ব্যৱসায়ীক প্রতিষ্ঠানৰ সংখ্যা বৃদ্ধি পায় তেন্তে সামগ্রীবিধৰ বজাৰত যোগানো বৃদ্ধি পাব। যেতিয়া কম সময়ৰ ভিতৰতে এটা উদ্যোগৰ সৈতে জড়িত ব্যৱসায়ীক প্রতিষ্ঠানৰ যথেষ্ট লাভ অর্জন হয়, তেতিয়া অৱশেষত সেই উদ্যোগত নতুন প্রতিষ্ঠানে ভুমুকি মাৰে আৰু ফলস্বৰূপে মুঠ উৎপাদন তথা উদ্যোগটোৰ উৎপাদিত সামগ্রীৰ যোগান বৃদ্ধি পাব। আনহাতে যদি লোকচান হোৱাৰ বাবে কিছু প্রতিষ্ঠানে উদ্যোগটো এৰি দিয়ে তেন্তে সামগ্রীৰ যোগান হ্রাস পাব।

● **ভৱিষ্যতৰ মূল্যৰ প্রত্যাশা ঃ**

এক নির্দিষ্ট সময়ত বজাৰত কোনো এটা সামগ্রীৰ যোগান বিক্রেতাসকলৰ ভৱিষ্যতৰ হ'ব পৰা মূল্যৰ প্রত্যাশাৰ ওপৰতো নির্ভৰ কৰে। মন্দাৱস্থাৰ সময়ত বিক্রেতাসকলে আশা কৰে যে ভৱিষ্যতে মূল্য বৃদ্ধি পাব আৰু তেওঁলোকে বজাৰত যোগান হ্রাস কৰিব। ব্যৱসায়ীসকলে যথেষ্ট পৰিমাণৰ সামগ্রী ধৰি ৰখাটো হৈছে তেওঁলোকে বজাৰত যোগান হ্রাস কৰাৰ এক গুৰুত্বপূর্ণ কাৰক আৰু ইয়াৰ ফলত অধিক মূল্যবৃদ্ধি হ'ব।

● **কৰ আৰু ৰাজ-সাহায্য ঃ**

কৰ আৰু ৰাজসাহায্যয়ো যোগানৰ ওপৰত প্রভাৱ পেলায়। যদি কোনো সামগ্রীৰ ওপৰত আবকাৰী কৰ বা বিক্রী কৰ আৰোপ কৰা হয় তেন্তে ব্যৱসায়ীক প্রতিষ্ঠানসমূহে একে পৰিমাণৰ সামগ্রী উচ্চ মূল্যত অথবা একেটা মূল্যতে কম সামগ্রী যোগান ধৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ যোগান নির্ধাৰণ কৰা দুটা কাৰক উল্লেখ কৰক।

.....

.....



৩.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কোনো এটা সামগ্রীৰ যোগানৰ অর্থ হৈছে এক নির্দিষ্ট সময়ত, সম্ভাৱনীয় মূল্যত বিক্রীৰ বাবে আগবঢ়োৱা পৰিমাণ।
- যোগানৰ সূত্র অনুসৰি যেতিয়া এটা সামগ্রী মূল্য বৃদ্ধি হয় ইয়াৰ যোগানৰ পৰিমাণো বৃদ্ধি পায় আৰু যেতিয়া এটা সামগ্রীৰ মূল্য হ্রাস পায়, ইয়াৰ যোগানৰ পৰিমাণো হ্রাস পায়।

- যদি বিক্রেতাসকলে ভৱিষ্যতে মূল্য বৃদ্ধি হোৱাৰ আশা ৰাখে আৰু ভৱিষ্যতে অধিক লাভ অর্জন কৰিবলৈ যোগান নিয়ন্ত্রিত কৰি ৰাখে তেন্তে সেই ক্ষেত্রত যোগানৰ সূত্র প্রযোজ্য নহয়।
- আন পৰিস্থিতিতো যোগানৰ সূত্র প্রযোজ্য নহ'ব পাৰে, যেনে ঃ ৰুচিৰ পৰিৱর্তন, জৰুৰীকালীন পুঁজিৰ প্রয়োজন আদি।
- যোগান নির্ধাৰণ কৰা কাৰকসমূহ হৈছে— উৎপাদন প্রযুক্তি, উৎপাদনৰ কাৰকসমূহৰ মূল্য, আনুষংগিক সামগ্রীসমূহৰ মূল্য আদি।



৩.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কোনো এটা সামগ্রীৰ যোগানৰ অর্থ হৈছে এক নির্দিষ্ট সময়ত, যেনে এটা দিন, এটা সপ্তাহ, এটা মাহ আৰু এনেদৰে সামগ্রীটোৰ বিক্রীৰ বাবে আগবঢ়াব পৰা পৰিমাণ।

২ নং প্রশ্নৰ উত্তৰঃ যোগানৰ সূত্র মতে, যেতিয়া কোনো এটা সামগ্রীৰ মূল্য বৃদ্ধি পায়, বজাৰত সেই সামগ্রীবিধৰ যোগানো বৃদ্ধি পায় আৰু যেতিয়া কোনো এটা সামগ্রীৰ মূল্য হ্রাস পায়। অন্যান্য কাৰকবোৰ একেদৰে থকা অৱস্থাত, সেই সামগ্রীবিধৰ যোগানো হ্রাস পায়। যোগানৰ সূত্র অনুসৰি, কোনো এটা সামগ্রীৰ যোগানৰ পৰিমাণ মূল্যৰ সৈতে যোগাত্মকভাৱে সম্পর্কীত। মূল্য আৰু সামগ্রীৰ যোগানৰ পৰিমাণৰ মাজত থকা এই প্রত্যক্ষ অথবা যোগাত্মক সম্পর্কৰ বাবে। যোগানৰ বক্রপথ সোঁফালে ওপৰলৈ গতি কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ জৰুৰীকালীন পুঁজিৰ প্রয়োজন ঃ এজন ব্যৱসায়ীৰ জৰুৰীভাৱে পুঁজিৰ প্রয়োজন হ'লে তেওঁ নিম্ন মূল্যত অধিক সামগ্রী বিক্রী কৰি দিব পাৰে। ই হৈছে যোগানৰ সূত্রৰ এটি ব্যতিক্রম।

ৰুচিৰ পৰিৱর্তন ঃ যদি কিছুমান সামগ্রীৰ ক্ষেত্রত ক্রেতাৰ ৰুচিৰ পৰিৱর্তন ঘটে তেন্তে বিক্রেতাই তেনে সামগ্রী সোনকালে শেষ কৰিবলৈ কম মূল্যত বিক্রী কৰিবলৈ বিচাৰে আৰু এনেদৰে যোগান বৃদ্ধি পায়। ইয়ো যোগানৰ সূত্রৰ এক ব্যতিক্রম।

৪ নং প্রশ্নৰ উত্তৰঃ কোনো সামগ্রীৰ পৰিৱর্তিত মূল্যৰ প্রতি যোগানৰ প্রতিক্রিয়াৰ স্তৰেই হৈছে যোগানৰ স্থিতিস্থাপকতা। যোগানৰ স্থিতিস্থাপকতা হৈছে কোনো সামগ্রীৰ মূল্যৰ আংশিক পৰিৱর্তনৰ প্রতিক্রিয়া স্বৰূপে যোগান ধৰা পৰিমাণৰ আংশিক পৰিৱর্তন।

৫ নং প্রশ্নৰ উত্তৰঃ উৎপাদন প্রযুক্তি ঃ প্রযুক্তিৰ পৰিৱর্তনে উৎপাদন ব্যয় পৰিৱর্তিত কৰি যোগানৰ ওপৰত প্রভাৱ পেলায়। যদি কোনো ব্যৱসায়ীক প্রতিষ্ঠানৰ উৎপাদন প্রযুক্তি উন্নত হৈ পৰে তেন্তে উৎপাদনৰ একক ব্যয় হ্রাস পাব আৰু ফলস্বৰূপে নির্দিষ্ট মূল্যত পূর্বতকৈ অধিক যোগান সম্ভৱ হৈ উঠিব। যোগান বৃদ্ধি হোৱাৰ ফলত যোগানৰ বক্রৰেখা ডাল সোঁফাললৈ গতি কৰিব।

উৎপাদনৰ কাৰকসমূহৰ মূল্য ঃ

কাৰক অথবা সম্পদৰ মূল্যৰ পৰিৱর্তনে উৎপাদন ব্যয় পৰিৱর্তিত কৰিব আৰু ফলস্বৰূপে যোগানত পৰিৱর্তন আহিব।



৩.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ এটা সামগ্রীৰ যোগানৰ অর্থ কি?

প্রশ্ন ২ঃ যোগানৰ সূত্র সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ এটা সামগ্রীৰ যোগান নির্ধাৰণ কৰা কাৰকসমূহ আলোচনা কৰক।

প্রশ্ন ৪ঃ যোগানৰ বক্রৰেখাই কিয় সোঁফালে ওপৰলৈ গতি কৰে?

প্রশ্ন ৫ঃ যোগানৰ স্থিতিস্থাপকতা মানে কি?

*** ***** ***